


# দিছপুৰ মহাবিদ্যালয় স্বৰ্ণপদকপ্ৰাপক খেলুৱৈক সম্বৰ্ধনা

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ৩ অক্টোবৰ ঃ** গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত যোৱা ২৩ ছেপ্টেম্বৰৰ পৰা ২৯ ছেপ্টেম্বৰলৈ অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় লনবল চেম্পিয়নশ্বিপত স্বৰ্ণপদক লাভ কৰা দিছপুৰ মহাবিদ্যালয়ৰ স্নাতক প্ৰথম ষাণ্মাসিকৰ দৰ্শন বিভাগৰ ছাত্ৰী জিনা বৰুৱাক আজি দিছপুৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত ড° বৰাই মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰয়োজনসাপেক্ষে আৰ্থিক অনুদান, মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসত ৰেহাই হাৰত থকা-খোৱাৰ ব্যৱস্থা কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি মহাবিদ্যালয়ৰ খেলুৱৈসকলক জিনা বৰুৱাৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ উৎসাহ যোগায় আৰু স্বৰ্ণপদক বিজয়ী জিনা বৰুৱাক শুভেচ্ছা জনোৱাৰ লগতে সম্বৰ্ধনা জনাই উজ্জ্বল ভৱিষ্যতৰ কামনা কৰে। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

# দুৰ্গা পূজা

**প্ৰতিদিন বিশেষ সেৱা, গুৱাহাটী, ৩**
দুৰ্গোৎসৱলৈ মাজত প্ৰায় এপষেক বাকী
এইবাৰ পাঁচ শতাধিক পূজা সমিতিক
অনুমতি দিয়াৰ সিদ্ধান্ত লৈছে কামৰূপ ম
কিন্তু দেৱী দুৰ্গাক আৰাধনা কৰাৰ নাম
বিশৃংখল পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰ
জিলা তথা আৰক্ষী-প্ৰশাসনে। জিলা প্ৰ
প্ৰশাসনে আজি জিলা পুথিভঁৰালৰ প্ৰেক্ষ
সভা অনুষ্ঠিত কৰি দুৰ্গা পূজা উদ্‌যাপন স
নীতি-নিৰ্দেশনা জাৰি কৰে। পথ, পদপ
মহানগৰীত উদ্‌যাপন কৰিব নোৱাৰিব অ
দুৰ্গা পূজা। তদুপৰি দেশভুজাক আৰাধন
উদ্‌যাপন সমিতিয়ে ডাবি-ধমকিৰে
নোৱাৰিব। পূজা উদ্‌যাপনৰ বাবে ৰাইজে
বাহিৰে আন উপায়েৰে বৰঙণি সংগ্ৰহ ক
ল'ব বিহিত ব্যৱস্থা। ইফালে দুৰ্গোৎস
পাচত ব্যৱহাৰ কৰিব নোৱাৰিব .উচ্চ প্ৰ
১০ বজাৰ পাচত উচ্চ প্ৰাবল্যৰ শব্দ যন্ত্ৰ
লোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰা
কৰিব আৰক্ষীয়ে। ইফালে প্ৰতিখন পূজা
চি চি কেমেৰা। কেৱল ইমানে নহয়, পূজা
এ পি ডি চি এলৰ সুৰক্ষাৰ প্ৰমাণপ
আলোকসজ্জাৰ চমক দিব পাৰিব। তদুপ
পূৰ্বে উদ্‌যাপন সমিতিয়ে অগ্নি নিৰ্বাপকৰ
সংগ্ৰহ কৰিব লাগিব। উল্লেখযোগ্য যে গু
দিগন্ত বৰা জিলা আয়ুক্ত পল্লৱ গোপ

# Cleanliness drives organized

**STAFF REPORTER**

GUWAHATI, Oct 4: The National Service Scheme (NSS), Dispur College in association with the Yuva Tourism Club and 48 Assam Naval Unit NCC of the college organized a cleanliness drive in the greater Ganeshguri area recently on the occasion of Gandhi Jayanti.

The event witnessed the active participation of more than 100 members including NSS volunteers, NCC cadets, Yuva Tourism Club members, DCSU secretaries and students of Dispur College.

Principal of the college, Dr Navajyoti Borah led the cleanliness drive by engaging in the community cleaning effort, thereby inspiring the student volunteers to conduct their lives in a clean and hygienic manner.

The principal also asked the shop owners to ensure not to use single-use plastic.

A pledge was administered to the participants by Serlin Engjaipi to ensure that the mindset of the youth towards maintenance of cleanliness is ensured.

Dr Malabika Bhattacharyya, programme officer, NSS; Dr Binoy Chetia, coordinator, YTC; Pallabi Kashyap, assistant coordinator, YTC; Serlin Engjaipi, CTO, 48 ANU NCC and Sutibra Malakar, CTO, 48 ANU NCC jointly coordinated the event.

**At NFR::** A Swachhata Abhiyan was undertaken near the Guwahati Railway Station by the Maligaon-headquartered Northeast Frontier Railway (NFR) on the occasion of Gandhi Jayanti on Monday.

Additional General Manager of NFR, Yatendra Kumar, along with other senior railway officials and staff, and local children participated in the event.

A tree plantation drive was also held on the occasion.

Floral tributes were paid to Mahatma Gandhi's portrait and a *bhajan* programme was organized at the premises of the Guwahati Railway Station.

To mark the occasion, similar programmes were also undertaken at platforms, station premises, and circulating areas of various railway stations and railway hospital premises across the five divisions of the NFR.

The fortnight-long Swachhata Pakhwada organized by the NFR to promote cleanliness also concluded today.

**At AIIMS:** Under the nationwide 'Swachhata Hi Seva' (SHS)-2023 programme, AIIMS Guwahati organized a cleanliness drive in Dhopatari Market area on the approach road to AIIMS Guwahati campus on Sunday.

The campaign was participated by the students and staff of AIIMS Guwahati, workers of M/s NCC Ltd and the residents of local panchayat area.

About 250 volunteers joined in cleaning the roadside and a portion of weekly vegetable market.

Dr Ashok Puranik, Executive Director of AIIMS Guwahati led the campaign by reading out the 'Swachhata Pledge'. In his address, he called for community participation in keeping their surroundings clean and hygienic.

The cleaning campaign lasted for one-and-a-half hours in tandem with the national programme. The young students of AIIMS Guwahati exhibited enthusiasm in participating in the campaign which will continue till October 31 within the campus.

## সাহিত্য অকাডেমীৰ উদ্যোগত দিছপুৰ মহাবিদ্যালয়ত আলোচনাচক্ৰত দিগন্তবিশ্ব শৰ্মা

# শিশু সাহিত্যই হৈছে অতীত-বৰ্তমান-ভৱিষ্যতৰ সেতুবন্ধন




**গুৱাহাটী, ৭ অক্টোবৰ ঃ** দিছপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আজি সাহিত্য অকাডেমীৰ উদ্যোগত আৰু দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত 'অসমীয়া শিশু সাহিত্য ঃ সম্ভাৱনা আৰু প্ৰত্যাহ্বান' শীৰ্ষক আলোচনা আৰু যুৱ সাহিত্যৰ আয়োজন কৰা হয়। দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মালৱিকা ভট্টাচাৰ্যই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। ভাষণ প্ৰসংগত তেওঁ কয় যে শিশুৰ মানসিক বিকাশ আৰু সমাজক সঠিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত শিশু সাহিত্যৰ যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে। শিশু সাহিত্যই শিশুক সজ চিন্তাচৰ্চা আৰু মানসিকতাৰ অধিকাৰী কৰাৰ লগতে প্ৰাচীন ঐতিহ্যৰ প্ৰতি আস্থাশীল কৰি তুলিব পাৰে। সাহিত্য অকাডেমীৰ ক্ষেত্ৰীয় সচিব দেৱেন্দ্ৰ কুমাৰ দেবেশে আদৰণী ভাষণ দি কয় যে সাহিত্য অকাডেমীয়ে কেৱল দেশৰ পৰিচিত সাহিত্যকেই নহয় যিসমূহ সাহিত্যই এতিয়াও স্বীকৃতি লাভ কৰা নাই, সেইসমূহ সাহিত্যৰ সমৃদ্ধিকৰণৰ বাবেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সাহিত্য অকাডেমীৰ অসমীয়া উপদেষ্টা বৰ্ডৰ আহ্বায়ক দিগন্তবিশ্ব শৰ্মাই আলোচনাচক্ৰৰ বিষয়বস্তুৰ পৰিচয় দি শিশু সাহিত্যৰ লেখকসকলৰ দায়িত্ব আৰু প্ৰত্যাহ্বান সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে শিশু সাহিত্যই হৈছে অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সেতুবন্ধন। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি দৈনিক জনমভূমিৰ সম্পাদক সঞ্জীৱ ফুকনে উল্লেখ কৰে যে অসমীয়া শিশু সাহিত্য বৰ্তমানৰ হিচাপত হয়তো প্ৰাসাদৰ অট্টালিকা নহ'বও পাৰে, কিন্তু ই নিশ্চিতভাৱে এক অনন্য নতুনত্বৰ সন্ধান থকা এটা অসম আৰ্হিৰ ঘৰৰ দৰে, যিটো আন সাহিত্যত পোৱা নাযায়। অসমীয়া শিশু সাহিত্যই তেওঁৰ মতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, ৰামসৰস্বতী, শ্ৰীধৰ কন্দলি আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে মহান সাহিত্যিকৰ চিন আৰু উত্তৰাধিকাৰ বহন কৰে। অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষিকেশ গোস্বামীয়ে কয় যে প্ৰাপ্তবয়স্কসকলে নষ্টালজিয়াত জীয়াই থকাৰ সময়ত শিশুসকলে কৌতূহল আৰু অনুসন্ধিৎসুতাৰে ভৰা এখন পৃথিৱীত বাস কৰে। সেয়েহে শিশু সাহিত্যিকসকলে শিশুসকলক ভৱিষ্যতে শিশু সাহিত্যৰ প্ৰতি আকৃষ্ট কৰি ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰি তোলাৰ পৰামৰ্শ আগবঢ়ায়। অসমীয়া বিভাগৰ অধ্যাপিকা বৰ্ণালী বৰাই শলাগৰ শৰাই আগবঢ়াই উদ্বোধনী অনুষ্ঠানৰ সামৰণি কৰে। বিশিষ্ট শিশু সাহিত্যিক বন্দিতা ফুকনে সঞ্চালনা কৰা প্ৰথম সত্ৰত গৱেষণাপত্ৰ পাঠ কৰে বিশালদীপ কাকতি, দিগন্ত ওজা আৰু জুৰি দত্তই। বিশিষ্ট সাহিত্যিক মৃণাল কলিতাই সঞ্চালনা কৰা দ্বিতীয় সত্ৰত গৱেষণাপত্ৰ পাঠ কৰে বিনীতা বৈশ্য আৰু যুগললোচন দাসে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি অসমীয়া যুৱ লেখকৰ সৈতে যুৱ সাহিত্য অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে উদীয়মান যুৱ লেখক জিণ্টু গীতাৰ্থ, কস্তুৰী চুতীয়া, নিষ্কামনা অসমীয়া আৰু নয়নজ্যোতি শৰ্মাই। এই শিতানটো সঞ্চালনা কৰে অসমীয়া বিভাগৰ অধ্যাপিকা ড° মালৱিকা ভট্টাচাৰ্যই।

গুৱাহাটী, দেওবাৰ, ২০ আহিন, ১৯৪৫ শক

4 October 2023

দৈনিক জনমভূমি

# সাহিত্য অকাদেমিৰ শিশু সাহিত্য সম্পৰ্কীয় মনোজ্ঞ আলোচনা




গৱেষণা-পত্ৰ পাঠ কৰিলে বিশালদীপ কাকতী, দিগন্ত ওজা, জুৰি দত্তই

**শিশু সাহিত্য হৈছে অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সেতু ঃ দিগন্ত বিশ্ব শৰ্মা ■ অসমৰ শিশু সাহিত্যই শংকৰদেৱ-ৰাম সৰস্বতী-লক্ষ্মীনাথৰ ঐতিহ্য লাভ কৰিছে ঃ সঞ্জীৱ কুমাৰ ফুকন ■ শিশুসকল কৌতূহল-অনুসন্ধিৎসুৰ পৃথিৱীত বাস কৰে ঃ হৃষীকেশ গোস্বামী**

গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ অক্টোবৰ ঃ শিশু সাহিত্যই হৈছে অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সেতু। সাহিত্যৰ জৰিয়তেহে শিশুসকলক জীৱনে আগবঢ়োৱা আৰু দাবী কৰা গতিশীলতা দিব পাৰি। আজি দিছপুৰ ১৫ পিঠিলৈ

## সাহিত্য অকাদেমিৰ শিশু...

*এক পিঠিৰ পৰা* মহাবিদ্যালয়ত 'অসমীয়া শিশু সাহিত্য সম্ভাৱনা আৰু প্ৰত্যাহ্বান' শীৰ্ষক আলোচনাত অংশগ্ৰহণ কৰি এইদৰেই কয় সাহিত্য অকাদেমিৰ অসমীয়া উপদেষ্টা ব'ৰ্ডৰ আহ্বায়ক দিগন্ত বিশ্ব শৰ্মাই। ভাষণত তেওঁ কয় যে শিশু সাহিত্যিকসকলৰ সন্মুখত প্ৰচণ্ড দায়িত্ব আৰু বহু প্ৰত্যাহ্বান আছে। সাহিত্য অকাদেমিৰ উদ্যোগত আৰু দিছপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত আয়োজিত এই আলোচনা-চক্ৰত মুখ্য অতিথি হিচাপে উপস্থিত থাকি দৈনিক জনমভূমিৰ কাৰ্যবাহী সম্পাদক সঞ্জীৱ ফুকনে কয় যে অসমীয়া শিশু সাহিত্য বৰ্তমানৰ হিচাপত হয়তো প্ৰাসাদ বা অট্টালিকা নহ'ব পাৰে কিন্তু ই এনে এক অনন্য নতুনত্বৰ সন্ধান থকা এটা অসম আৰ্হিৰ ঘৰ যিটো আন সাহিত্যত পোৱা নাযায়। তেওঁ লগতে কয় যে অসমীয়া শিশু সাহিত্যই মহাপুৰুষ শংকৰদেৱ, ৰাম সৰস্বতী, শ্ৰীধৰ কন্দলি আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে মহানৰ ঐতিহ্য বহন কৰে। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মালবিকা ভট্টাচাৰ্যই আঁত ধৰা উদ্বোধনী অনুষ্ঠানটোত সভাপতিত্ব কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই। সাহিত্য অকাদেমিৰ ক্ষেত্ৰীয় সচিব দেৱেন্দ্ৰ কুমাৰ দেৱেশে সাহিত্য অকাদেমিৰ দেশজুৰি থকা বৰঙনিৰ কথা উল্লেখ কৰি কয় যে সাহিত্য অকাদেমিয়ে কেৱল দেশৰ প্ৰতিষ্ঠিত সাহিত্যিককেই নহয় যিসমূহ সাহিত্যই এতিয়াও স্বীকৃতি লাভ কৰা নাই সেই সাহিত্যৰ সমৃদ্ধিকৰণৰ বাবেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আনহাতে, অনুষ্ঠানৰ মুখ্য বক্তা তথা অসম শিশু সাহিত্য ন্যাসৰ সচিব হৃষীকেশ গোস্বামীয়ে কয় যে প্ৰাপ্তবয়স্কসকল নষ্টালজিয়াত জীয়াই থকাৰ সময়ত শিশুসকল কৌতূহল আৰু অনুসন্ধিৎসুতাৰে কৰা এখন পৃথিৱীত বাস কৰে। সেয়েহে, তেওঁ শিশু সাহিত্যিকসকলক শিশুসকলৰ ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰি তুলিব পৰা সৃষ্টিৰে শিশুসকলক আকৃষ্ট কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। দিনজোৱা কাৰ্যসূচীৰে পালন কৰা এই অনুষ্ঠানৰ প্ৰথম সত্ৰৰ সঞ্চালনা কৰে শিশু সাহিত্যিক বন্দিতা ফুকনে। ইয়াত গৱেষণা-পত্ৰ পাঠ কৰে বিশালদীপ কাকতী, দিগন্ত ওজা আৰু জুৰি দত্তই। সাহিত্যিক মৃণাল কলিতাই সঞ্চালনা কৰা দ্বিতীয় সত্ৰত গৱেষণা-পত্ৰ পাঠ কৰে বিনীতা বৈশ্য আৰু যুগললোচন দাসে। আনহাতে, আজিৰ অনুষ্ঠানৰ লগত সংগতি ৰাখি অসমীয়া যুৱ লেখকৰ সৈতে যুৱ সাহিত্য অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে উদীয়মান যুৱ লেখক জিণ্টু গীতাৰ্থ, কস্তুৰী চুতীয়া, নিষ্কামনা অসমীয়া আৰু নয়নজ্যোতি শৰ্মা। সভাপতিৰ মন্তব্যত মহাববিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই সাহিত্য অকাদেমিৰ সমূহ বিষয়ববীয়াক কৃতজ্ঞতা জনাই কয় যে শিশুৰ মানশিক বিকাশ আৰু সমাজক সঠিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত শিশু সাহিত্যৰ যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ উল্লেখ কৰে— শিশু সাহিত্যই শিশুক সজ চিন্তা-চৰ্চা আৰু মানসিকতাৰ অধিকাৰী কৰাৰ লগতে প্ৰাচীন ঐতিহ্যৰ প্ৰতি আস্থাশীল কৰি তুলিব পাৰে।

কৰ ফাকি দিয়া

অসমৰ কে

আয়কৰ

গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৭ অক্টোবৰ ঃ দেশৰ কেইবাটাও স্থানৰ লগতে ১৩ পিঠিলৈ

এগৰাকী সুহৃদক হেৰুৱাই মৰ্মাহত হৈছোঁ ঃ ড° পীতাম্বৰ দেৱ গোস্বামী

## আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° হৰিনাৰায়ণ শৰ্মাৰ আকস্মিক মৃত্যু

Dainik Ganaadhikar (08/10/2023)

আহ্বান জনাইছে।

# সাহিত্য অকাদেমিৰ উদ্যোগত দিছপুৰ মহাবিদ্যালয়ত অসমীয়া শিশু সাহিত্য শীৰ্ষক আলোচনা



গুৱাহাটী, ৭ অক্টোবৰ ঃ আজি দিশপুৰ মহাবিদ্যালয় প্ৰেক্ষাগৃহত সাহিত্য অকাডেমিৰ উদ্যোগত আৰু দিশপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগত "অসমীয়া শিশু সাহিত্য: সম্ভাৱনা আৰু প্ৰত্যাহ্বান" শীৰ্ষক আলোচনা আৰু যুৱ সাহিতিৰ আয়োজন কৰা হয়। দিশপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ মালবিকা ভট্টাচাৰ্যই আঁতধৰা উদ্বোধনী অনুষ্ঠানটিত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নবজ্যোতি বৰাই সাহিত্য অকাডেমিৰ সমূহ বিষয়ববীয়াক কৃতজ্ঞতা জনাই কয় যে শিশুৰ মানসিক বিকাশ আৰু সমাজক সঠিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত শিশু সাহিত্যৰ যথেষ্ট গুৰুত্বপুৰ্ণ ভূমিকা আছে। তেওঁ উল্লেখ কৰে শিশু সাহিত্যই শিশুক সজ চিন্তা চৰ্চা আৰু মানসিকতাৰ অধিকাৰী কৰাৰ লগতে প্ৰাচীন ঐতিহ্যৰ প্ৰতি আস্থাশীল কৰি তুলিব পাৰে। সাহিত্য অকাডেমিৰ ক্ষেত্ৰীয় সচিব দেবেন্দ্ৰ কুমাৰ দেবেশ ডাঙৰীয়াই আদৰণি ভাষণ সন্দৰ্ভত সাহিত্য অকাডেমিৰ দেশজুৰি বৰঙনিৰ কথা উল্লেখ কৰি কয় যে সাহিত্য অকাডেমিয়ে কেৱল দেশৰ পৰিচিত সাহিত্যকেই নহয় যিসমূহ সাহিত্যই এতিয়াও স্বীকৃতি লাভ কৰা নাই, সেইসমূহ সাহিত্যৰ সমৃদ্ধিকৰণৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সাহিত্য অকাডেমীৰ অসমীয়া উপদেষ্টা ব'ৰ্ডৰ আহ্বায়ক শ্ৰীযুত দিগন্ত বিশ্ব শৰ্মাই আলোচনা চক্ৰৰ বিষয়বস্তুৰ পৰিচয় দি শিশু সাহিত্যৰ লেখকসকলৰ সন্মুখত থকা প্ৰচণ্ড দায়িত্ব আৰু বহু প্ৰত্যাহ্বানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে শিশুসাহিত্যই হৈছে অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ সেতুবন্ধন লগতে সাহিত্যৰ জৰিয়তেহে তেওঁলোকক জীৱনে আগবঢ়োৱা আৰু দাবী কৰা গতিশীলতা শিকিব। এই অনুষ্ঠানৰ মুখ্য অতিথি দৈনিক জনমভূমিৰ সম্পাদক শ্ৰী সঞ্জীৱ ফুকনে উল্লেখ কৰে যে অসমীয়া শিশু সাহিত্য বৰ্তমানৰ হিচাপত হয়তো প্ৰাসাদৰ অট্টালিকা নহ'বও পাৰে, কিন্তু ই নিশ্চিতভাৱে এনে এক অনন্য নতুনত্বৰ সন্ধান থকা এটা অসম আৰ্হিৰ ঘৰৰ দৰে যিটো আন সাহিত্যত পোৱা নাযায়। অসমীয়া শিশু সাহিত্যই তেওঁৰ মতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, ৰামসৰস্বতী, শ্ৰীধৰ কন্দলী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে মহান সাহিত্যিকৰ চিন আৰু উত্তৰাধিকাৰ বহন কৰে। অসম শিশু সাহিত্য ন্যাসৰ সচিব শ্ৰী হৃষিকেশ গোস্বামীয়ে আঙুলিয়াই দিয়ে যে প্ৰাপ্তবয়স্কসকলে নষ্টালজিয়াত জীয়াই থকাৰ সময়ত শিশুসকলে কৌতুহল আৰু অনুসন্ধিৎসুতাৰে ভৰা এখন পৃথিৱীত বাস কৰে। সেয়েহে শিশু সাহিত্যিকসকলে শিশু সকলক ভৱিষ্যতে শিশু সাহিত্যৰ প্ৰতি আকৃষ্ট কৰি ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰি তোলাৰ পৰামৰ্শ আগবঢ়ায়। অসমীয়া বিভাগৰ অধ্যাপিকা বৰ্ণালী বৰাই শলাগৰ শৰাই দিয়া উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ সুনিতা আগৰৱালাকে আদি কৰি বহু শিক্ষক আৰু ছাত্ৰ ছাত্ৰী উপস্থিত থাকে । বিশিষ্ট শিশু সাহিত্যিক বন্দিতা ফুকনে সঞ্চালনা কৰা প্ৰথম সত্ৰত গৱেষণা পত্ৰ পাঠ কৰে বিশালদীপ কাকতি, দিগন্ত ওজা আৰু জুৰি দত্তই। বিশিষ্ট সাহিত্যিক মৃণাল কলিতাই সঞ্চালনা কৰা দ্বিতীয় সত্ৰত গৱেষণা পত্ৰ পাঠ কৰে বিনীতা বৈশ্য আৰু যুগল লোচন দাসে।এই অনুষ্ঠানৰ লগত সংগতি ৰাখি অসমীয়া যুৱলেখকৰ সৈতে যুৱসাহিতি অনুষ্ঠানৰ আয়োজন কৰা হয়।এই অনুষ্ঠানত উপস্থিত থাকে উদীয়মান যুৱলেখক জিন্টু গীতাৰ্থ, কস্তুৰী চুতীয়া,নিষ্কামনা অসমীয়া আৰু নয়নজ্যোতি শৰ্মাই।এই শিতানটি সঞ্চালনা কৰে অসমীয়া বিভাগৰ অধ্যাপিকা ড০ মালৱিকা ভট্টাচাৰ্যই। দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা এই আলোচনা আৰু যুৱসাহিতি অনুষ্ঠানৰ অসম সংগীতেৰে সামৰণি পৰে।

Dainik Purvodaya (08/10/2023)

# बाल साहित्य पर विचारगोष्ठी आयोजित



गुवाहाटी, 7 अक्टूबर (पू.सं.)। नगर के दिसपुर कॉलेज के प्रेक्षागृह में साहित्य अकादमी की पहल तथा कॉलेज के असमिया विभाग के सहयोग से 'असमिया बाल साहित्य-संभावना व चुनौती' शीर्षक एक विचारगोष्ठी का आयोजन किया गया। कॉलेज की असमिया विभाग की प्रमुख डॉ. मालविका भट्टाचार्य द्वारा संचालित कार्यक्रम में अध्यक्षता करते हुए कॉलेज के प्रिंसिपल डॉ. नवज्योति बोरा ने बाल साहित्य के महत्व पर विस्तार से प्रकाश डाला। वहीं साहित्य अकादमी के क्षेत्रीय सचिव देवेंद्र कुमार देवेश ने देश में अकादमी के अवदान का वर्णन किया।

उसके बाद साहित्य अकादमी के असमिया सलाहकार बोर्ड के संयोजक दिगंत विश्व शर्मा ने विचारगोष्ठी के विषय में बताते हुए बाल साहित्यकारों की जिम्मेदारी एवं चुनौती पर चर्चा की। कार्यक्रम में बतौर मुख्य अतिथि हिस्सा लेते हुए दैनिक जनमभूमि के संपादक संजीव फूकन ने असमिया बाल साहित्य की प्रगति पर चर्चा की। कार्यक्रम में असम बाल साहित्य न्यास के सचिव हृषिकेश गोस्वामी, कॉलेज के असमिया विभाग की अध्यापिका बनाली बोरा, उप प्राचार्य सुनीता अग्रवाल, विशिष्ट बाल साहित्यकार बंदिता फूकन समेत कई विशिष्ट व्यक्तियों ने हिस्सा लिया।

Prratah Khabar (09-10-2023)

# दिसपुर कॉलेज सभागार में व्याख्यानमाला आयोजित

**गुवाहाटी, 8 अक्तूबर (ख. स.)।** दिसपुर कॉलेज के असमिया विभाग के तत्वावधान में और साहित्य अकादमी के सहयोग से कॉलेज के सभागार में असमिया शिशु साहित्य: संभावना और चुनौती शीर्षक एक व्याख्यानमाला का आयोजन किया गया। कॉलेज के प्राचार्य डॉ नवज्योति बोरा की अध्यक्षता में आयोजित इस व्याख्यानमाला का संचालन असमिया विभाग की अध्यापिका डॉ मालविका भट्टाचार्य ने किया। मौके पर डॉ नवज्योति बोरा ने कहा कि बच्चों के मानसिक विकास और समाज को सही दिशा में ले जाने में शिशु साहित्य की अहम भूमिका रही है। उन्होंने कहा कि शिशु साहित्य बच्चों में बौद्धिक चेतना का विकास करने के साथ ही प्राचीन इतिहास के प्रति जागरूक करने का प्रयास करती रही है। इस अवसर पर साहित्य अकादमी के सचिव देवेंद्र कुमार देवेश ने कहा संस्था देशभर में बच्चों में साहित्य के प्रति जागरूकता लाने की दिशा में महत्वपूर्ण भूमिका निभाती रही है। कार्यक्रम में मुख्य अतिथि के रूप में दैनिक जन्मभूमि के संपादक संजीव फुकन, साहित्य अकादमी के असमिया सलाहकार बोर्ड के संयोजक दिगंत विश्व शर्मा, असम शिशु साहित्य न्यास के सचिव ऋषिकेश गोस्वामी सहित कई लोग मौजूद रहे।

# रोटरी स्मार्ट सिटी का निःशुल्क नेत्र जांच शिविर

**गुवाहाटी, 8 अक्तूबर (ख.सं.)।** भरलुमुख स्थित सोनाराम एचएस स्कूल में रोटरी क्लब गुवाहाटी स्मार्ट सिटी के